# উষা আহুজা

বনাম

# হাৰিয়ানা ৰাজ্য আৰু অন্যান্য

আগষ্ট ২৪, ১৯৯৯

(ন্যায়াধীশ কে. ভেংকটাস্বামী আৰু চৈয়দ ছাহ মহম্মদ কাদৰী)

*ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ — ধাৰা ৪৮২ — অন্তৰ্নিহিত ক্ষমতা — অনুশীলন — দেৱানী মোকৰ্দ্দমা বিচাৰাধীন হৈ থকাৰ বাবে উচ্চ ন্যায়ালয়ে চূড়ান্ত প্ৰতিবেদন স্থগিত কৰে — ৰায় দিয়া হয়, স্থগিত কৰাটো ভুল।*

আপীলকাৰী আৰু ২ নং প্ৰতিবাদী অংশীদাৰ আছিল। আপীলকাৰীয়ে ২ নং আৰু ৩ নং প্ৰতিবাদীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৪০৫, ৪০৬ আৰু ৪০৮ নং ধাৰাত অপৰাধ সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰি অভিযোগ দাখিল কৰে। অংশীদাৰিত্ব প্ৰতিষ্ঠানটো বিলুপ্ত কৰা আৰু হিচাপ-নিকাচ দাখিলৰ বাবে পক্ষসমূহৰ মাজত এটা দেৱানী গোচৰো চলি আছিল। প্ৰতিবাদীসকলে উচ্চ ন্যায়ালয়ত ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ৪৮২ নং ধাৰাত আবেদন দাখিল কৰে আৰু উচ্চ ন্যায়ালয়ে দেৱানী গোচৰৰ বিচাৰাধীন স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গোচৰৰ সিদ্ধান্ত নোলোৱালৈকে আৰক্ষীয়ে চূড়ান্ত প্ৰতিবেদন দাখিল কৰাত স্থগিতাদেশ দিয়ে। আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিৰুদ্ধে এই ন্যায়ালয়ত আপীল দাখিল কৰে।

আপীলৰ অনুমতি প্ৰদান কৰি এই আদালতে ৰায় দিছিল:

১. ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ধাৰা ৪৮২-ৰ অধীনত উচ্চ ন্যায়ালয়ৰ ক্ষমতাৰ প্ৰস্থ নীতিগতভাৱে অতি বিস্তৃত কিন্তু কাৰ্য্যক্ষেত্ৰত এই ক্ষমতা ব্যতিক্ৰমী গোচৰতহে প্ৰয়োগ কৰা

হয়। আদালতৰ অন্তৰ্নিহিত ক্ষমতা উচ্চ ন্যায়ালয়ে গৃহীত কৰিব বিচৰা যিকোনো আদেশ প্ৰদান কৰাৰ সীমাহীন ক্ষমতা নহয়। এই ক্ষমতা ফৌজদাৰী কাৰ্য্যবিধি আইনৰ অধীনত যিকোনো আদেশ কাৰ্যকৰী কৰিবলৈ বা কোনো আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ বা অন্যথা ন্যায়ৰ উদ্দেশ্য সুৰক্ষিত কৰিবলৈ প্ৰয়োগ কৰা হয়।

২. বিবাদিত বিবাদিত আদেশটোৱে কোনো উপযোগী উদ্দেশ্য পূৰণ নকৰে, বৰঞ্চ যিটো উদ্দেশ্যৰ বাবে এই ক্ষমতা সংৰক্ষিত কৰা হৈছে তাৰ পৰা ই সম্পূৰ্ণ পৃথক। ফৌজদাৰী গোচৰসমূহ ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰাটো অতি গুৰুত্বপূৰ্ণ কাৰণ অভিযুক্তৰ ক্ষিপ্ৰ বিচাৰৰ অধিকাৰ হৈছে সংবিধানৰ ২১ নং অনুচ্ছেদৰ পৰা উদ্ভৱ হোৱা এক অধিকাৰ। উচ্চ ন্যায়ালয়ে ক্ষিপ্ৰ বিচাৰৰ সুনিশ্চিত কৰাৰ পৰিৱৰ্তে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১৭৩ নং ধাৰাত আৰক্ষীয়ে চূড়ান্ত প্ৰতিবেদন দাখিল কৰাত স্থগিতাদেশ জাৰি কৰি প্ৰাক-বিচাৰ পৰ্যায়ত নিষেধাজ্ঞা আৰোপ কৰিছিল। এইটো এটা সুপৰিচিত তথ্য যে এটা দেৱানী গোচৰৰ নিষ্পত্তিৰ বাবে যথেষ্ট সময় লাগে, সেয়েহে গোচৰ নিষ্পত্তি নোহোৱালৈকে আৰক্ষীয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৭৩ ধাৰাৰ অধীনত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাটো স্থগিত ৰাখিলে কোনো উপযোগী উদ্দেশ্য সাধন নহ'ব।

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ: **১৯৯৯ চনৰ** ফৌজদাৰী আপীল নং ৮৪২।

১৯৯৭ চনৰ ফৌজদাৰী এম. নং ২৪৬৭৯-ত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ ১৭.৪.৯৮-ৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ হৰি শংকৰ কে.-ৰ হৈ পুনীত বলী।

প্ৰতিপক্ষৰ হৈ আৰ. এফ. নৰিমন, (মহাবীৰ সিং) (এন.পি.) আৰু এছ. চি. মহন, তৰুণ দুৱা আৰু কে. চি. দুৱা।

আদালতৰ ৰায় প্ৰদান কৰিছিল ন্যায়াধীশ চৈয়দ ছাহ মহম্মদ কাদৰীয়ে। অনুমতি প্ৰদান কৰা হৈছে।

আপীলকাৰী আৰু দ্বিতীয়জন প্ৰতিবাদী অংশীদাৰিত্ব প্ৰতিষ্ঠান মেচাৰ্চ জুপিটাৰ ইণ্ডাষ্ট্ৰীজৰ অংশীদাৰ আছিল। দ্বিতীয় আৰু তৃতীয়জন প্ৰতিবাদীৰ বিৰুদ্ধে ১৯৯৬ চনৰ ১৯ জুলাইত ভাৰতীয় দণ্ডবিধিৰ ৪০৫, ৪০৬ আৰু ৪০৮ নং ধাৰাত এজাহাৰ নং ১৯৩-ৰ জৰিয়তে এক অভিযোগ দাখিল কৰা হয়। অংশীদাৰিত্ব প্ৰতিষ্ঠানটো বিলুপ্ত কৰি হিচাপ-নিকাচ দাখিলৰ বাবে পক্ষসমূহৰ মাজত এটা দেৱানী গোচৰ চলি আছে। উক্ত প্ৰতিবাদীসকলে ১৯৯৭ চনৰ ২৪৬৭৯-এম. নং ফৌজদাৰী বিবিধ আবেদন পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ত দাখিল কৰি এজাহাৰ বাতিল কৰিবলৈ প্ৰাৰ্থনা কৰে। উচ্চ ন্যায়ালয়ে ১৯৯৮ চনৰ ১৭ এপ্ৰিল তাৰিখৰ আদেশৰ দ্বাৰা পক্ষসমূহৰ মাজত দেৱানী মামলা চলি থকা আৰু আপীলকাৰীৰ অভিযোগৰ ওপৰত আৰক্ষীয়ে তদন্ত চলাই থকা বুলি লক্ষ্য কৰি আৰক্ষীয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৭৩ নং ধাৰাত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাটো স্থগিত ৰাখিছিল। সেই আদেশৰ পৰাই এই আবেদনৰ উদ্ভৱ হৈছে।

পক্ষসমূহৰ হৈ বিদ্বান অধিবক্তাৰ যুক্তি শুনা হ'ল।

উচ্চ ন্যায়ালয়ৰ বিবাদিত আদেশৰ প্ৰাসংগিক অংশ তলত দিয়া ধৰণৰ:

"গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যদি ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১৭৩ নং ধাৰাত চূড়ান্ত প্ৰতিবেদন দাখিলৰ কাম গোচৰৰ সিদ্ধান্ত নোপোৱালৈকে স্থগিত ৰখা হয়, তেন্তে সেয়া যুক্তিসংগত বুলি বিবেচিত হ'ব। সেই অনুসৰি আদেশ দিয়া হৈছিল।"

এতিয়া এইটো সুনিৰ্দিষ্ট হৈ পৰিছে যে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ধাৰা ৪৮২-ৰ অধীনত উচ্চ ন্যায়ালয়ৰ ক্ষমতাৰ প্ৰস্থ নীতিগতভাৱে অতি বিস্তৃত কিন্তু কাৰ্য্যক্ষেত্ৰত এই ক্ষমতা ব্যতিক্ৰমী গোচৰতহে প্ৰয়োগ কৰা হয়। আদালতৰ অন্তৰ্নিহিত ক্ষমতা উচ্চ ন্যায়ালয়ে গৃহীত

কৰিব বিচৰা যিকোনো আদেশ প্ৰদান কৰাৰ সীমাহীন ক্ষমতা নহয়। এই ক্ষমতা ফৌজদাৰী কাৰ্য্যবিধি আইনৰ অধীনত যিকোনো আদেশ কাৰ্যকৰী কৰিবলৈ বা কোনো আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ বা অন্যথা ন্যায়ৰ উদ্দেশ্য সুৰক্ষিত কৰিবলৈ প্ৰয়োগ কৰা হয়। বিবাদিত আদেশ জাৰি কৰি উচ্চ ন্যায়ালয়ে যিটো উদ্দেশ্যৰ বাবে এই ক্ষমতা আছে, তেনে কোনো লক্ষ্যত উপনীত হোৱা নাই। ই কাৰো বাবে কোনো উপকাৰ সাধন কৰা নাই। ফৌজদাৰী গোচৰসমূহ ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰাটো অতি গুৰুত্বপূৰ্ণ কাৰণ অভিযুক্তৰ ক্ষিপ্ৰ বিচাৰৰ অধিকাৰ হৈছে সংবিধানৰ ২১ নং অনুচ্ছেদৰ পৰা উদ্ভৱ হোৱা এক অধিকাৰ। উচ্চ ন্যায়ালয়ে ক্ষিপ্ৰ বিচাৰৰ সুনিশ্চিত কৰাৰ পৰিৱৰ্তে ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১৭৩ নং ধাৰাত আৰক্ষীয়ে চূড়ান্ত প্ৰতিবেদন দাখিল কৰাত স্থগিতাদেশ জাৰি কৰি প্ৰাক-বিচাৰ পৰ্যায়ত নিষেধাজ্ঞা আৰোপ কৰিছিল। এইটো এটা সুপৰিচিত তথ্য যে এটা দেৱানী গোচৰৰ নিষ্পত্তিৰ বাবে যথেষ্ট সময় লাগে, সেয়েহে গোচৰ নিষ্পত্তি নোহোৱালৈকে আৰক্ষীয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৭৩ ধাৰাৰ অধীনত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাটো স্থগিত ৰাখিলে কোনো উপযোগী উদ্দেশ্য সাধন নহ'ব। বিবাদিত আদেশটোৱে কোনো উপযোগী উদ্দেশ্য পূৰণ নকৰে, বৰঞ্চ যিটো উদ্দেশ্যৰ বাবে এই ক্ষমতা সংৰক্ষিত কৰা হৈছে তাৰ পৰা ই সম্পূৰ্ণ পৃথক। আমাৰ দৃষ্টিত, আৰক্ষীয়ে গোচৰটোৰ তদন্ত কৰাৰ পিছত ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৭৩ ধাৰাৰ অধীনত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাটো স্থগিত ৰখাটো অতিশয় অপ্ৰয়োজনীয়। সেয়েহে আমি আপীলৰ অধীনত থকা আদেশটো বৰ্তাই ৰাখিব নোৱাৰো; তাক আমি খাৰিজ কৰিছোঁ। আইন অনুসৰি পৰৱৰ্তী পদক্ষেপ ল'ব লাগে। সেই অনুসৰি আপীলৰ অনুমতি দিয়া হৈছে।

বি.কে.এম. আপীলৰ অনুমতি প্ৰদান কৰা হৈছে।

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়


DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।”